# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-08-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - - - - - - - -**

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি আজি ৰাজ্যজুৰি পৰম্পৰাগত উলাহ-উদ্দীপনাৰে পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ ৰাজ্যৰ ভকতবৃন্দই নামঘৰ আৰু সত্ৰসমূহত শৰাই, বন্তি আগবঢ়াই প্ৰাৰ্থনা জনায়। সত্ৰ, নামঘৰসমূহ পুৱাৰে পৰা ভক্ত ৰাইজৰ নাম-প্ৰসংগ আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে।

মাধৱদেৱ গুৰুজনাই স্থাপন কৰা ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত এই তিথি কীৰ্তন মহোৎসৱ হিচাপে ১০ দিনীয়াকৈ উদযাপন কৰা হয়।  বৰপেটাৰ সংবাদদাতাই জনোৱা অনুসৰি ১০ দিনৰ মূৰত আজি অনুষ্ঠিত মূল কাৰ্যসূচীৰ অংশ হিচাপে পুৱা প্ৰসংগৰ লগতে সত্ৰৰ গায়ন-বায়নে ঘোষা কীৰ্তন, ব্যাস কীৰ্তন আৰু নাম বিৰতিবিহীনভাৱে পৰিৱেশন কৰে। মহাপুৰুষজনাই স্থাপন কৰা সুন্দৰীদিয়া, বাৰাদি আৰু গনককুচি সত্ৰৰ লগতে শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা শিলপৰা ভিঠি থান সত্ৰত আৰু শংকৰদেৱ থান সত্ৰতো কীৰ্তন মহোৎসৱ পালন কৰা হয়। মহোৎসৱ উপলক্ষে বৰপেটা সত্ৰৰ লগতে আন আন সত্ৰতো ভালেসংখ্যক লোকৰ সমাগমেৰে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। উল্লেখযোগ্য যে গুৰুজনাৰ মহাপ্ৰয়াণৰ পাছত তেওঁৰ ভকতসকলে ১০ দিনীয়াকৈ যি কাৰ্যসূচী পালন কৰিছিল তাৰ আৰ্হিতে বৰপেটা সত্ৰত কীৰ্তন মহোৎসৱ পালন কৰি অহা হৈছে।

স্বেচ্ছাসেৱী সংগঠন **সহায়**ৰ উদ্যোগত আৰু মৰিগাঁও সনাতনী ৰাইজৰ সহযোগত গুৰুজনাৰ তিৰোভাৱ তিথি উপলক্ষে মৰিগাঁও নগৰত এটি শোভাযাত্ৰা উলিওৱা হয়।

ধুবুৰীৰ মধুপুৰ সত্ৰতো দিনজোৰা কাৰ্যসূচীৰে শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়। পুৱা তাল কোবোৱা প্ৰসংগ, মঞ্জিৰা নাম আদি বিভিন্ন পৰম্পৰাগত অনুষ্ঠানৰ আয়োজন কৰা হয়।

যোৰহাট জিলাৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰত আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়।

মাজুলীৰ ৩৫ খন সত্ৰ আৰু প্ৰায় ২০০টা নামঘৰো আজি মহাপুৰুষজনাৰ তিৰোভাৱ তিথি উপলক্ষে পুৱাৰে পৰা নাম-কীৰ্তন আৰু প্ৰসংগৰে মুখৰিত হৈ উঠিছে। ঐতিহ্যমণ্ডিত কমলাবাৰী সত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাৱ তিথি আয়োজন কৰা হয়। ইফালে নামনি মাজুলীৰ এলেঙী সত্ৰতো পুৱাৰে পৰা আইসকলে প্ৰসংগ আৰু গোপিনী কীৰ্তনেৰে সত্ৰখনৰ চৌপাশ মুখৰিত কৰি তোলে।

গোলাঘাটৰ শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰতো গুৰু বন্দনাৰে পৱিত্ৰ তিৰোভাৱ তিথি মুখৰিত হৈ পৰে। পৱিত্ৰ ভাদ মাহৰ প্ৰথমটো তিথি উপলক্ষে বিভিন্ন প্ৰান্তৰ পৰা নামঘৰত অগণন ভকত ৰাইজৰ সমাগম ঘটে।

ইপিনে ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা মহাপুৰুষজনাৰ তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে পুৱাৰ ভাগতে বজালীৰ গোবিন্দভৱন গীতা সত্ৰত শৰাই আগবঢ়াই নাম-প্ৰসংগত অংশগ্ৰহণ কৰে। নিজৰ লগতে ৰাইজৰ মংগল কামনা কৰি মন্ত্ৰীগৰাকীয়ে ভকত-আই মাতৃসকলৰ সৈতে মত বিনিময় কৰি আশীৰ্বাদ লয়। মহাপুৰুষ গুৰুজনাই অসমৰ সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক দিশত আগবঢ়োৱা অসাধাৰণ অৱদানে ৰাজ্যৰ জাতীয় জীৱনক এটা নতুন মাত্ৰা প্ৰদান কৰে বুলি উল্লেখ কৰি শ্ৰী দাসে তেওঁৰ জীৱন-দৰ্শনেৰে অনুপ্ৰাণিত হৈ উঠি অহা প্ৰজন্মই ঐক্যবদ্ধ আৰু সুসংগঠিত সমাজ গঢ়াৰ ক্ষেত্ৰত দায়বদ্ধতাৰে কামত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত হৃদৰোগীসকলৰ বাবে ২০ খন বিচনাযুক্ত এটা নতুন আই চি ইউ মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ ৩ দিনীয়া বৰাক উপত্যকা ভ্ৰমণৰ শেষৰ দিনা চিকিৎসা মহাবিদ্যালয়খনত উপস্থিত হৈ নতুন আই চি ইউ প্ৰকল্পটো মুকলি কৰাৰ লগতে মহাবিদ্যালয়খনত নিৰ্মাণ হৈ থকা ৫৩৫ খন বিচনাযুক্ত জৰুৰীকালীন সেৱা ভৱনটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। নতুনকৈ নিৰ্মাণ কৰা এই ভৱনটো নৱেম্বৰ মাহত সম্পূৰ্ণ হব বুলি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। এই ভৱনটোৰ নিৰ্মাণ সম্পূৰ্ণ হলে মহাবিদ্যালয়খনৰ বিচনাৰ সংখ্যা বৰ্তমানৰ ১৩৫০ খনৰ পৰা ১৮৮৫ খনলৈ বৃদ্ধি পাব। মুখ্যমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ সময়ছোৱাত কাছাৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ পৰিমল শুক্লবৈদ্য, বিধায়ক কৌশিক ৰায়, শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ভাস্কৰ গুপ্তাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ০০০০

০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আজি ডিফু মেডিকেল কলেজ হাস্পতালত এটা আৰক্ষী চকী আনুষ্ঠানিকভাৱে মুকলি কৰে। মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে এই নতুন আৰক্ষী চকীখনৰ জৰিয়তে মহাবিদ্যালয়খনৰ নিৰাপত্তাৰ দিশটো অধিক উন্নত হ'ব বুলি আশা প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰসিং টিছ', জিলা আয়ুক্ত নিৰলা ফাংচপী, চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত